# 2023

## ASSAMESE

## ( Honours Core )

Paper : ASM–HC–5026

( অসমীয়া ব্যাকৰণ )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলৰ প্ৰশ্নবোৰৰ অতি চমু উত্তৰ লিখা : ১×১০=১০

(ক) *Syntactic Structure* নামৰ গ্ৰন্থখনৰ প্ৰণেতা কোন?

(খ) "ব্যাকৰণ মাত্ৰৰে তলিখন ফুটা" ("All grammars leak")—কথাষাৰ কোনে কৈছিল?

(গ) অসমীয়া ভাষাৰ প্ৰথমখন ব্যাকৰণৰ নাম লিখা।

(ঘ) 'অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ' নামৰ গ্ৰন্থখনৰ লিখকগৰাকীৰ নাম লিখা।

(ঙ) অসমীয়া ভাষাত বিশিষ্ট স্বৰধ্বনি কেইটা?

(চ) অসমীয়া ভাষাত শ্বাসাঘাত বৰ্ণগত হয়নে?

(ছ) ভাষাৰ ক্ষুদ্ৰতম অৰ্থবহ গোটটো কি?

(জ) অসমীয়া ভাষাৰ এটা বচন-নিৰপেক্ষ ৰূপৰ উদাহৰণ দিয়া।

(ঝ) 'বাক্যতত্ত্ব'ৰ ইংৰাজী প্ৰতিশব্দটো লিখা।

(ঞ) নোৱম চমস্কীৰ *Aspects of the Theory of Syntax* গ্ৰন্থখন কোন চনত প্ৰকাশ হৈছিল?

২। তলৰ প্ৰশ্নবোৰৰ চমু উত্তৰ লিখা : ২×৫=১০

(ক) *Grammatical Notices of the Assamese Language* নামৰ অসমীয়া ব্যাকৰণখন কোনে প্ৰণয়ন কৰিছিল আৰু এই গ্ৰন্থখন কিমান চনত প্ৰকাশ পাইছিল?

(খ) ঐতিহাসিক ব্যাকৰণ কাক বোলে?

(গ) অসমীয়া ভাষাত শ্ৰুতিধ্বনি কেইটা আৰু কি কি?

(ঘ) মুক্তৰূপ আৰু যুক্তৰূপ কাক বোলে?

(ঙ) অসমীয়া ভাষাৰ খণ্ডবাক্যৰ দুটা প্ৰকাৰ উল্লেখ কৰা।

৩। তলৰ প্ৰশ্নবোৰৰ যি কোনো চাৰিটাৰ উত্তৰ লিখা : ৫×৪=২০

(ক) ব্যাকৰণক প্ৰধানত কি কি তিনিটা ভাগত ভগোৱা হয়? তিনিও প্ৰকাৰৰ ব্যাকৰণৰ চমু পৰিচয় দাঙি ধৰা।

(খ) অসমীয়া ভাষাৰ পশ্চ স্বৰবৰ্ণ কেইটা আৰু কি কি? জিভাৰ উচ্চতা অনুসৰি এই বৰ্ণকেইটাৰ এখন তালিকা প্ৰস্তুত কৰা।

(গ) "অসমীয়া ভাষাত লিঙ্গ আংশিকভাৱে ব্যাকৰণগত"— কথাষাৰ উদাহৰণসহ আলোচনা কৰা।

(ঘ) অসমীয়া ভাষাৰ উদাহৰণেৰে প্ৰত্যয় আৰু বিভক্তিৰ পাৰ্থক্য বিচাৰ কৰা।

(ঙ) ক্ৰিয়াৰ নঞৰ্থক ৰূপ বুলিলে কি বুজা? অসমীয়া ভাষাৰ নঞৰ্থক ক্ৰিয়াপদৰ গঠন সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(চ) বাক্যাংশৰ ওপৰত ভিত্তি কৰি বাক্যতত্ত্বক কি কি তিনিটা ভাগত ভাগ কৰিব পাৰি, আলোচনা কৰা।

৪। (ক) ব্যাকৰণ বুলিলে কি বুজা? অসমীয়া ভাষাৰ ব্যাকৰণ চৰ্চাৰ ইতিহাস সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা। ২+৮=১০

*অথবা*

(খ) মিছনেৰী কালৰ পৰা আৰম্ভ কৰি সাম্প্ৰতিক কাললৈ অসমীয়া ব্যাকৰণ চৰ্চাৰ এই দীঘলীয়া পৰিক্ৰমাত অসমীয়া ভাষাৰ যথেষ্ট ব্যাকৰণ ৰচিত হৈছে যদিও অসমীয়া ভাষাৰ পূৰ্ণাঙ্গ ব্যাকৰণ এখনৰ অভাৱ অনুভৱ কৰা যায় বুলি সততে শুনিবলৈ পোৱা অভিযোগৰ সত্যাসত্য বিচাৰ কৰা। ১০

৫। (ক) বৰ্ণ বা বিশিষ্ট ধ্বনি কাক বোলে? অসমীয়া ভাষাত বিশিষ্ট ব্যঞ্জনধ্বনি কেইটা আৰু কি কি? উচ্চাৰণৰ স্থান আৰু ধৰণ অনুসৰি এইবোৰৰ এখন তালিকা প্ৰস্তুত কৰা। ১০

*অথবা*

(খ) বিভাজ্য আৰু অবিভাজ্য ধ্বনি কাক বোলে? অসমীয়া ভাষাত কোনবোৰ বিভাজ্য ধ্বনি? এইবোৰৰ বিষয়ে বহলাই আলোচনা কৰা। ২+২+৬=১০

৬। (ক) লিঙ্গ বুলিলে কি বুজা? অসমীয়া ভাষাত লিঙ্গভেদ বুজাবলৈ কি কি উপায় অৱলম্বন কৰা হয়, উদাহৰণসহ আলোচনা কৰা। ২+৮=১০

*অথবা*

(খ) বিভক্তি কাক বোলে? ইয়াক মূলত কি কি দুটা ভাগত ভগোৱা হৈছে? অসমীয়া ভাষাৰ বিভিন্ন কাল, পুৰুষ আৰু ভাব অনুযায়ী ক্ৰিয়া বিভক্তিসমূহ কেনেদৰে ব্যৱহাৰ কৰা হয়, উদাহৰণসহ লিখা। ২+২+৬=১০

৭। (ক) বাক্যতত্ত্ব বুলিলে কি বুজা? ভাব আৰু গঠন অনুসৰি অসমীয়া ভাষাৰ বাক্যৰ শ্ৰেণীবিভাজন সম্পৰ্কে আলোচনা কৰা। ২+৮=১০

*অথবা*

(খ) "যোগ্যতা, আকাঙ্খা আৰু আসক্তিযুক্ত পদৰ সমূহেই বাক্য"—কথাষাৰ অসমীয়া ভাষাৰ বাক্যৰ আলোচনাত কিদৰে প্ৰযোজ্য আৰু গ্ৰহণযোগ্য, আলোচনা কৰা। ১০

★★★